Civil Services (Main) Examination, 2024

PHKM-C-ASSM

# অসমীয়া / ASSAMESE

## ( বাধ্যতামূলক ) / ( Compulsory )

| সময়: 3 ঘণ্টা<br>Time Allowed : **Three** Hours | মুঠ নম্বৰ: 300<br>Maximum Marks : **300** |
|---|---|

## প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

***প্ৰশ্নোত্তৰ লিখাৰ আগতে তলৰ পৰামৰ্শাৱলী। নিৰ্দেশনা যত্ন সহকাৰে পঢ়ি লোৱা :***

*সকলোবেৰ প্ৰশ্নৰ উত্তৰ লিখিব লাগিব।*

*প্ৰশ্নটোৰ কাষত প্ৰশ্নটোৰ মূল্যাংক। প্ৰশ্নাংশৰ মূল্যাংক দিয়া আছে।*

*বিশেষ নিৰ্দেশনা নথকা প্ৰশ্নৰ উত্তৰ **অসমীয়া ভাষাত (অসমীয়া লিপিৰে)** লিখিব লাগিব।*

*প্ৰশ্নোত্তৰৰ বাবে শব্দৰ নিৰ্ধাৰিত সংখ্যা দিয়া থাকিলে তাক মানিব লাগিব আৰু নিৰ্ধাৰিত সংখ্যাতকৈ বেছি বা কম কৰিলে নম্বৰ কটা যাব পাৰে।*

*প্ৰশ্নোত্তৰ বহীৰ কোনোবা পৃষ্ঠা বা পৃষ্ঠাংশ খালি হৈ থাকিলে স্পষ্টকৈ কাটি দিব লাগিব।*

## Question Paper Specific Instructions

***Please read each of the following instructions carefully before attempting questions :***

*All questions are to be attempted.*

*The number of marks carried by a question is indicated against it.*

*Answers must be written in **ASSAMESE (Assamese script)** unless otherwise directed in the question.*

*Word limit in questions, wherever specified, should be adhered to and if answered in much longer or shorter than the prescribed length, marks may be deducted.*

*Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.*

**Q1. তলত দিয়া যিকোনো *এটা* বিষয়ত 600 শব্দৰ ভিতৰত এখন ৰচনা লিখাঁ : *100***

(a) গণতন্ত্ৰ আৰু বাক্‌স্বাধীনতা

(b) ভাৰতবৰ্ষত খোৱাপানীৰ সংকট আসন্ন নেকি ?

(c) জনজাতীয় সংস্কৃতিৰ সংৰক্ষণ : প্ৰয়াস আৰু সম্ভাৱনা

(d) খালী পাত্ৰৰ বাজনাই সাৰ

**Q2. তলত দিয়া কথাখিনি ভালদৰে পঢ়াঁ আৰু তাৰ তলত দিয়া প্ৰশ্নবোৰৰ স্পষ্ট, শুদ্ধ আৰু সংক্ষিপ্ত উত্তৰ দিয়াঁ : *12×5=60***

সমালোচনাক সাহিত্যৰ এক বিশেষ অংগ হিচাপে বিবেচনা কৰা হয়, কাৰণ ই সাহিত্যক নিজস্ব সীমাৰ ভিতৰত ৰখাৰ ব্যৱস্থা কৰে। সাহিত্যত যেতিয়া কোনো বিষয় অন্তৰ্ভূক্ত হৈ ৰস প্ৰৱাহত বাধাৰ সৃষ্টি কৰে তেতিয়া সেই সাহিত্য দোষযুক্ত হৈ পৰে, ঠিক যিদৰে সংগীতকো বেসুৰা স্বৰে শ্ৰুতিকটু কৰে।

আমাৰ স্বাভাৱিক অনুভৱৰ প্ৰকাশেই হল প্ৰকৃত আনন্দ। কৃত্ৰিম অনুভৱে সদায় বিষাদেই সৃষ্টি কৰে। অৱশ্যে কিছুমান মানুহে কৃত্ৰিম অনুভৱতো সুখ পাব পাৰে। কিছুমান মানুহে হিংসাত্মক কাৰ্য্য কৰি, বা আনৰ ধন-সম্পদ আত্মসাৎ কৰি বা নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে কাৰোবাক অনিষ্ট কৰিও সুখ অনুভৱ কৰে, কিন্তু ই মনৰ স্বাভাৱিক প্ৰবৃত্তি নহয়। এজন চোৰে পোহৰতকৈ আন্ধাৰ ভাল পায়। কিন্তু ই পোহৰৰ গতি ৰোধ কৰিব নোৱাৰে।

যি অনুভৱৰ দ্বাৰা আমি নিজকে আনৰ সৈতে একাত্ম কৰিব পাৰোঁ সেয়াহে প্ৰকৃত অনুভৱ। প্ৰেমে আমাক আনৰ সৈতে একত্ৰিত কৰে আৰু অহংকাৰে আমাক পৃথক কৰে। এজন অহংকাৰী মানুহ আনৰ সৈতে কেনেকৈ একাত্ম হ'ব পাৰে? সেয়েহে প্ৰেমেই প্ৰকৃত সত্য আৰু অহংকাৰেই মিথ্যা।

ভক্তি প্ৰকাশৰ বাবে কিছু মূৰ্ত ৰূপৰ প্ৰয়োজন। দয়া কৰিবৰ কাৰণেও কাৰোবাক প্ৰয়োজন। ধৈৰ্য্য আৰু সাহস প্ৰদৰ্শন কৰিবলৈয়ো আমাক কোনোবা এজনৰ প্ৰয়োজন হয়। অৰ্থাৎ আমাৰ অনুভৱক জগাই তুলিবলৈ সেইবোৰৰ বাহ্যিক উপাদানৰ সৈতে সামঞ্জস্য থকা উচিত। যদি আমাৰ ওপৰত বাহ্যিক প্ৰকৃতিয়ে কোনো প্ৰভাৱ পেলাব নোৱাৰে; যদি কাৰোবাৰ পুত্ৰ শোকত আমাৰ চকুপানী নোলায়; যদি কোনো আনন্দ উৎসৱত আমি সন্মিলিত হৈ উৎসাহিত নহওঁ; তেনেহ'লে বুজিব লাগিব যে আমাৰ নিৰ্বাণ প্ৰাপ্তি ঘটিছে। এই ক্ষেত্ৰত সাহিত্য মূল্যহীন বুলিয়ে ক'ব

লাগিব। প্ৰকৃত সাহিত্যিকসকলে পৃথিৱীৰ সুখ-দুখত সুখ বা দুখ অনুভৱ কৰে আৰু আনৰ অন্তৰতো সুখ বা দুখৰ অনুভৱ জগাই তুলিব পাৰে। নিজে দুখ অনুভৱ কৰাটোৱেই যথেষ্ট নহয়। কলাকাৰসকলে এই সকলোবোৰ প্ৰকাশ কৰিবলৈ সমৰ্থ হ'ব লাগিব। কিন্তু পৰিস্থিতিয়ে মানুহক বিভিন্ন দিশলৈ লৈ যায়। মানুহ মাত্ৰেই অনুভৱৰ সমতা থাকিলেও পৰিস্থিতিৰ ভিন্নতাৰ বাবে প্ৰতিক্ৰিয়া প্ৰকাশত ভিন্নতা দেখা যায়। যদি আমি কৃষকসকলৰ লগত থকাৰ সুযোগ পাওঁ স্বাভাৱিকতে তেওঁলোকৰ সুখ-দুখক নিজৰ সুখ-দুখ বুলি অনুভৱ কৰিবলৈ লওঁ তেন্তে আমাৰ ভাৱৰ গভীৰতা অনুসৰি তাৰ দ্বাৰা প্ৰভাৱিত হওঁ। এইদৰে আমি আন পৰিস্থিতিসমূহকো বুজিবলৈ চেষ্টা কৰা উচিত। যদি ইয়াৰ অৰ্থটো এইদৰে বুজা যায় যে কোনোবাই কৃষক বা শ্ৰমিকৰ বা কোনো আন্দোলনৰ প্ৰচাৰ কৰিছে তেন্তে ই ভুল হ'ব। সাহিত্য আৰু প্ৰচাৰৰ মাজত পাৰ্থক্য কি ? প্ৰচাৰ কাৰ্য্যত যদি স্ববিজ্ঞাপন নাথাকেও তেন্তে এক বিশেষ উদ্দেশ্য পূৰণ কৰাৰ ঔৎসুক্য থাকে যিয়ে সাধনসমূহকো গুৰুত্বহীন কৰে। সাহিত্য মৃদুমন্দ সমীৰৰ দৰে যিয়ে সকলোকে বিমল আনন্দ প্ৰদান কৰে। ধুমুহাই সেউজীয়া বৃক্ষকো উঘালি পেলায় আৰু জুপুৰী তথা অট্টালিকাকো মোহাৰি পেলায়। ই ৰসবিহীন হোৱা বাবে আনন্দৰ কাৰক নহয়; কিন্তু যদি কোনো সুদক্ষ কলাকাৰে তাতো সৌন্দৰ্য্য আৰু ৰস সংযোজন কৰে তেন্তে সি প্ৰচাৰ কাৰ্য্যৰ আহিলা নহৈ মহৎ সাহিত্যলৈ উন্নীত হ'ব পাৰে।

(a) সমালোচনাক কিয় সাহিত্যৰ অংগ হিচাপে বিবেচনা কৰা হয় ? 12

(b) প্ৰকৃত আৰু কৃত্ৰিম অনুভৱ কি ? 12

(c) মনৰ স্বাভাৱিক প্ৰবৃতি কি নহয় ? 12

(d) লেখকৰ মতে প্ৰকৃত সাহিত্যিক কোন হ'ব পাৰে ? 12

(e) সাহিত্য আৰু প্ৰচাৰৰ মাজত পাৰ্থক্য কি ? 12

**Q3. তলত দিয়া কথাখিনিৰ সাৰাংশ এক-তৃতীয়াংশ শব্দৰ ভিতৰত লিখাঁ। শিৰোনাম দিয়াৰ আৱশ্যকতা নাই। সাৰাংশ তোমাৰ নিজৰ ভাষাত লিখিব লাগিব।** 60

মন কৰিবলগীয়া কথা যে ঈৰ্ষা ব্যক্তিবিশেষৰ সৈতে হয়। এয়াও নহয় যে কাৰোবাক ঐশ্বৰ্য্য, গুণ বা মানেৰে সম্পন্ন দেখিলে তেওঁৰ প্ৰতি ঈৰ্ষা হ'ব। ঈৰ্ষা তেওঁৰ প্ৰতি হয় যাৰ বিষয়ে ধাৰণা কৰা হয় যে আমাৰ লগতে তেওঁকো সমানে গুৰুত্ব প্ৰদান কৰা হ'ব বা হৈছে। নিজৰ পৰা দূৰত্বত থকা আৰু দৃষ্টিত পৰাৰ সম্ভাৱনা

নাথাকিলে সেই ব্যক্তিৰ প্ৰতি সাধাৰণতে ঈৰ্ষা নাজাগে। কাশীত থকা কোনো ধনী ব্যক্তি এগৰাকীৰ ইউৰোপত থকা কোনো ধনী ব্যক্তি এগৰাকীৰ প্ৰতি ঈৰ্ষা নহয়। কোনো হিন্দী কবিৰ কোনো ইংৰাজী ভাষী কবিৰ মহত্ব শুনিলে ঈৰ্ষা নহয়। সম্পৰ্কীয় মানুহ, শৈশৱৰ বন্ধু, সহপাঠী আৰু ওচৰ চুবুৰীয়াৰ মাজত স্বাভাৱিকতে ঈৰ্ষাৰ বিকাশ ঘটা দেখা যায়। ল'ৰালিৰপৰা যিসকল মানুহ একেলগে উঠা বহা কৰে তাৰ মাজতে ইজনে আনজনৰ উন্নতি দেখিলে ঈৰ্ষাত জ্বলি উঠাও দেখা যায়। দুজন বন্ধুৰ কোনো এজনে যদি উচ্চ পদৱী পায় তেতিয়া আনজনে যাতে কোনো ধৰণৰ উচ্চ পদ নাপায় তেওঁ তাৰেই চেষ্টাত নিয়োজিত হৈ থাকে। প্ৰায়ে নিজৰ উন্নতিৰ অজান বাধাৰ বিচাৰ-খোচাৰ কৰোঁতে পুৰণি বন্ধুজনৰ উপস্থিতিহে দেখা যায়। যিসময়ত ঐক্যৰ এনাজৰীৰে আমি নিজকে আনৰ সৈতে একেটা শাৰীতে থিয় কৰাওঁ সেই সময়ত সহানুভূতি, সহায় আদিৰ সম্ভাৱনা প্ৰতিষ্ঠিত হোৱাৰ লগে লগে ঈৰ্ষা আৰু বিদ্বেষৰ ভেটি গঢ়াৰো সম্ভাৱনা থাকে। যদি আমি কিবা উপায়ে সমাজৰ ভালৰ বাবে সম্ভাৱনাৰ সূত্ৰপাত ঘটাব পাৰোঁ আৰু ইয়াৰ দ্বাৰা অনিশ্চিত ভৱিষ্যতত বাধাৰ সৃষ্টি হয় তেনেহ'লে ই কেতিয়াও সম্ভৱ নহ'ব। ভৱিষ্যতৰ অনিশ্চয়তা অটল আৰু অজেয়। আমাৰ হাজাৰ বিদ্যা-বুদ্ধিৰেও তাক আমি আঁতৰাব নোৱাৰোঁ।

মন কৰিবলগীয়া কথাটো হ'ল যে ঈৰ্ষাৰ সংসাৰত ঈৰ্ষা কৰাসকল আৰু ইৰ্ষাৰ পাত্ৰসকলৰ ব্যতিক্ৰমী স্থিতিলৈ মনযোগ দিয়া সমাজৰ আৱশ্যকতা আছে। সুখ বা সন্তোষ ভোগ কৰাৰ উদ্দেশ্যে নহয়, কাৰোবাৰ ঐশ্বৰ্য্য, গুণ বা মানৰ সংগোপিত ৰূপৰ বিষয়ে কাকো অৱগত নকৰোৱাকৈয়ে এই সমাজখনত প্ৰভাৱিত কৰিবলৈহে ঈৰ্ষা কৰা হয়। ঐশ্বৰ্য্য আৰু গুণত হয়তো আমি কোনো ব্যক্তিৰ উৰ্দ্ধত বা সমপৰ্য্যায়ৰ নহ'ব পাৰোঁ কিন্তু যদি সমাজে তেওঁতকৈ উৰ্দ্ধৰ বা সমপৰ্য্যায়ৰ বুলি ধাৰণা কৰি লয় তেনেহ'লে আমি সন্তুষ্ট হৈ থাকিম আৰু ঈৰ্ষাৰ কষ্ট বহন কৰিবলগীয়া নহয়। আশ্চৰ্য্যৰ কথা যে সম্পদ প্ৰাপ্তিৰপৰা বঞ্চিত হৈয়ো সমাজৰ ধাৰণা মাত্ৰতে আমি সন্তুষ্ট হৈ ৰওঁ। ঈৰ্ষা সামাজিক জীৱনৰ কৃত্ৰিমতাত উৎপন্ন একপ্ৰকাৰৰ বিষ। ইয়াৰ প্ৰভাৱত আমি আনৰ উন্নতিত নিজৰ কোনো অনিষ্ট নেদেখিও অনৰ্থক দুখী হৈ থাকোঁ।

ন্যায়াধীশে ন্যায় বিচাৰ দিয়ে, ৰাজমিস্ত্ৰীয়ে ইটাৰ গাঁথনি কৰে। সমাজ কল্যাণৰ দৃষ্টিৰে এগৰাকী ন্যায়াধীশে এগৰাকী ৰাজমিস্ত্ৰীক তেওঁতকৈ সৰু বুলি ভবাটো উচিত নহয়। যিবোৰ সম্প্ৰদায়ৰ মাজত এইধৰণৰ সৰু-বৰৰ ভেদভাৱ ঠায়ে

ঠায়ে গভীৰভাৱে দৃঢ় হৈ গৈছে, সেই ভিন ভিন বৰ্গৰ মাজত ঈৰ্ষাই স্থায়ীৰূপ লোৱা দেখা গৈছে। যদি সমাজৰ বিভিন্ন শ্ৰেণীৰ কামেৰে জীৱন নিৰ্বাহ কৰা লোকসকলে সৰু-বৰৰ ঢোল কোবাই নুফুৰে, বৰং তেওঁলোকৰ ভিন্নতাক স্বীকাৰ কৰি লয়, তেতিয়া অসন্তোষ বহু পৰিমাণে নাইকীয়া হ'ব। য'ত সৰু-বৰৰ ভাব বৰকৈ প্ৰচাৰ হৈ থাকে আৰু জীৱন-নিৰ্বাহত যদি সি স্পষ্ট হয়, তাত কেৱল মানুহৰ শক্তি বিশেষ বিশেষ দিশত প্ৰকৃত হৈ সেই স্থানতে আবদ্ধ হ'বলৈ ধৰে আৰু সমাজৰ কাৰ্য্যপ্ৰণালীত এনেদৰে বিষমতাই দেখা দিয়ে।

*(428 শব্দ)*

**Q4. নিম্নলিখিত গদ্যাংশ ইংৰাজী ভাষালৈ অনুবাদ কৰাঁ :** **20**

কুটীৰ উদ্যোগ বা লঘু উদ্যোগে ভাৰতবৰ্ষত আজি পুনৰ বিশেষভাৱে চৰ্চা লাভ কৰিছে। এইধৰণৰ উদ্যোগ-ব্যৱসায়ৰ মূলতঃ কিছুমান ঘৰুৱা ধৰণৰ সৰু সৰু কাম বা ব্যৱসায়ৰ পৰিকল্পনা অৰ্ন্তনিহিত হৈ আছে, যাক অতি কম ঠাইত ক্ষুদ্ৰ পুঁজি আৰু শ্ৰমেৰে স্থাপন কৰি যিকোনো ব্যক্তি উৎপাদনৰ অংশীদাৰ হৈ নিজৰ জীৱন-নিৰ্বাহৰ সমস্যাৰ সমাধান উলিয়াব পাৰে; নিবনুৱা সমস্যাৰ লগত যুঁজি সাধাৰণ স্তৰত নিজৰ জীৱিকা নিৰ্বাহ কৰিব পাৰে। ভাৰতবৰ্ষৰ দৰে দেশত এইধৰণৰ সৰু সৰু উদ্যোগ-ব্যৱসায়ে হিত সাধনৰ আধাৰ হ'ব পাৰে; এই কথা মহাত্মা গান্ধীয়ে স্বাধীনতা সংগ্ৰামৰ দিনতেই জানিবলৈ সক্ষম হৈছিল। তেওঁ স্বাধীন ভাৰতত এইধৰণৰ গোট স্থাপন কৰি পৰম্পৰাগত উদ্যোগৰ আধুনীকিকৰণৰ প্ৰেৰণা দিছিল। কিন্তু স্বাধীনতা লাভৰ পিছত নেতৃবৃন্দই এই বিষয়ত কোনো গুৰুত্ব আৰোপ নকৰিলে। বৃহৎ বৃহৎ উদ্যোগ-ব্যৱসায় আৰম্ভ হ'ল আৰু সেইবোৰ সামৰ্থ্যবান মানুহৰ নিজস্ব সম্পত্তি হৈ ৰ'ল। আনহাতে বৰ্ধিত জনসংখ্যা, শিক্ষাৰ প্ৰসাৰ, জনসচেতনতা, অধিকাৰ সাব্যস্ততা, নিৰন্তৰ নিৰনুৱা সমস্যা — এই আটাইবোৰে আজিৰ সচেতন চিন্তাবিদ্‌সকলক বিব্ৰত কৰিছে। সেয়েহে পলমকৈ হ'লেও এই বৰ্ধিত সমস্যাসমূহৰ সৈতে মোকাবিলা কৰিবলৈ গান্ধীবাদী সূত্ৰসমূহৰ প্ৰয়োগ কৰা হওক য়াৰ দ্বাৰা ইয়াৰ আৱশ্যকতাসমূহ পূৰণ কৰিব পৰা যাব। ফলস্বৰূপে আজি দেশত কুটীৰ উদ্যোগে সৰ্বত্ৰ পোখা মেলা পৰিলক্ষিত হৈছে।

**Q5.** **তলত দিয়া গদ্যাংশ অসমীয়া ভাষালৈ অনুবাদ কৰাঁ :** *20*

In our democratic system, the press has a vital role. While there has been large-scale expansion of the print and visual media in recent years, a focused approach to dealing with major societal and political issues has still to evolve. There is, as yet, excessive and exaggerated coverage of exposures and scandals and far too little well-informed comment or analysis of the various deep-rooted factors which generate the continuing malaise. The media could make an extremely useful contribution by devoting adequate coverage to tasks well done, highlighting the achievements of honest and efficient public servants and organizations, according special attention to developments in the remote and backward areas of our country. Our media is free and unfettered. It should be able to expose cases and incidents involving irregular and unlawful exercise of authority and abuses of all kinds. The existing ills in our socio-political environment will, on present reckoning, take considerable time to remedy. The Department of Personnel and Administrative Reforms should focus on establishing institutions responsible for all personnel matters — appointments, postings, transfers etc. — without any external interference. Also, there is a need for adoption of a robust code of ethics to be followed by those involved in public functioning.

**Q6.** (a) **তলত দিয়া জতুৰা খণ্ডবাক্যকেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰাঁ :** *2×5=10*

(i) কাণ বাগৰা *2*

(ii) চকু মুদা কুলি *2*

(iii) হাত উজান দে *2*

(iv) হাড়ক মাটি কৰ *2*

(v) মন পা *2*

(b) **তলত দিয়া ফকৰা-যোজনা দুটাৰ ভাব-সম্প্ৰসাৰণ কৰাঁ :** *5×2=10*

(i) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ *5*

(ii) মুখতে বঁটা পায়
মুখতে কটা যায় *5*

(c) **তলত দিয়া শব্দবোৰৰ প্ৰত্যেকৰে একোটাকৈ বিপৰীত অৰ্থবাচক শব্দ লিখাঁ :** *1×10=10*

(i) অনুকূল *1*

(ii) উন্নতি *1*

(iii) পৰিশ্ৰমী *1*

(iv) দীৰ্ঘ *1*

(v) আৱাহন *1*

(vi) আস্তিক *1*

(vii) আবিৰ্ভাৱ *1*

(viii) প্ৰেম *1*

(ix) আনন্দ *1*

(x) সাকাৰ *1*

(d) **তলত দিয়া বাক্যাংশসমূহ এটা শব্দত প্ৰকাশ কৰা :** *1×10=10*

(i) যি আনৰ অধীন নহয় *1*

(ii) গৰু বন্ধা ঠাই *1*

(iii) খাবলৈ অনা কলপুলি *1*

(iv) যি কথা জনা নাযায় *1*

(v) যাক সহজতে লাভ কৰা যায় *1*

(vi) যি দেশৰ কাৰণে মৃত্যু বৰণ কৰে *1*

(vii) যি ঘটনা আগতে ঘটা নাই *1*

(viii) যি মানুহৰ নিজৰ ঘৰ-বাৰী নাই *1*

(ix) যি তিৰোতাই কাপোৰ ব্ব জানে *1*

(x) যি জন্তু ঘৰত পোহা হয় *1*